# স্থিৰতা বনাম অৰাজকতা

**দিনাংক - ২১ জানুৱাৰী ২০১৪**

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা**

বিগত সপ্তাহ এক শিকিবলগীয়া অভিজ্ঞতা হিচাপে ৰ'ব । তিনিটা পাৰ্থক্যগত নেতৃত্বৰ দ্বাৰা দিয়া ভাৰতৰ দূৰদৰ্শিতা মই গভীৰভাৱে উপলব্ধি কৰিছো ।

এ আই চি চি প্ৰতি ৰাহুল গান্ধীৰ সম্বোধনে তেওঁৰ দ'লৰ প্ৰতিনিধি সকলক নৈতিকভাৱে জাগ্ৰত কৰাৰ কথাকে প্ৰতিপন্ন কৰিছে । তেওঁলোক গতিবিহীন হোৱা দেখা গৈছে । তেওঁলোকৰ দ'লৰ পৰা প্ৰধানমন্ত্ৰী পদ'ৰ প্ৰাৰ্থী কাকো নিদিয়াৰ সিদ্ধান্তই আজিৰ পৰিস্থিতিত দ'লক মানসিকভাৱে হতাশ কৰি তুলিছে । তেওঁৰ সম্বোধন উত্তেজনাপূৰ্ণ যদিও বিশেষ যুক্তি-যুক্ত নহয় ।

বি জে পি ৰ ৰাষ্ট্ৰীয় পৰিষদৰ বৈঠক সম্বোধন কৰা নৰেন্দ্ৰ মোডীৰ ভাষনত যথেষ্ট বাকচাতুৰ্য্যতা আছিল । ৰাজনৈতিক অৱস্থাৰ লগত তেওঁ ভাৰতৰ সম্পূৰ্ণ দূৰদৰ্শিতাৰ কথাও উল্লেখ কৰে । তেওঁ আলোচনাৰ স্তৰ উন্নত কৰি তুলিছিল । প্ৰধানমন্ত্ৰীৰ দ্বৰেই তেওঁৰ সম্বোধন দেখা গৈছিল । যুক্তৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণতাত যোৰ দিয়াৰ লগতে তেওঁৰ সম্বোধনত মজবুত আৰু উন্নত ভাৰতৰ দূৰদৰ্শিতাও প্ৰকাশ পাইছিল । কৃষিক্ষেত্ৰৰ পৰা শিক্ষা আৰু স্বাস্থ্যৰলৈকে স্পষ্ট উপায়েৰে পৰিপূৰ্ণ তেওঁৰ ভাষন আছিল । আই আই টি, আই আই এম আৰু এ আই আই এম এছ ৰ দ্বৰে প্ৰতিষ্ঠান সকলো ৰাজ্যতে থাকিব লাগে । জীৱন উপভোগ কৰা সুবিধা সমূহৰ পৰা কোনো ৰাজ্যৰ জনসাধাৰণ বঞ্চিত থাকিব নোৱাৰে । ৰাষ্ট্ৰীয় ঘাইপথ, উদ্যোগমুখী অৰু বুলেট ট্ৰেইনৰ লগতে ১০০ খন উন্নত চহৰৰ পৰিকল্পনাৰে ভাৰতক সম্পূৰ্ণ ৰূপে সলনি কৰি উন্নত পথত অগ্ৰসৰ কৰিব । ৰাষ্ট্ৰীয় সম্পদৰ প্ৰথম অধিকাৰ দৰিদ্ৰ আৰু বঞ্চিত লোক সকলৰ বাবেহে হ'ব লাগে । ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ প্ৰসাৰৰ বাবে বি জে পি আৰু নৰেন্দ্ৰ মোডীৰ সম্বোধন যথেষ্ট গুৰুত্বপুৰ্ণ ।

তৃতীয়তে আম আদমী পাৰ্টিৰ ৰাজনীতি । পৰম্পৰাগত ৰাজনীতি বিৰোধী প্ৰতিক্ৰিয়া হিচাপে এই দ'লৰ জন্ম হৈছিল । এই পাৰ্টিয়ে বিকল্প ৰজনীতিৰ প্ৰতিশ্ৰুতি দিছিল । এতিয়া স্পষ্ট হৈ গৈছে যে বিকল্প ৰাজনীতিয়ে অৰাজকতা আনে । আনকি আম আদমী পাৰ্টিৰ নেতায়েও ইয়াক মানি লৈছে । আৱেগপূৰ্ণ ভাষনেৰে ৰাজ্যৰ মন ভুলুৱা ৰাজনৈতিক নেতাৰ মতবিৰোধ নাছিল । লোকপাল

আন্দোলনত তেওঁলোকে কৈছিল যে কেন্দ্ৰীয় চৰকাৰৰ পুলিচ যেনে, চি বি আই, কেন্দ্ৰ চৰকাৰৰ নিয়ন্ত্ৰণত থাকিব নালাগে । এতিয়া একেজন লোকে কৈছে যে ৰাজ্যিক পুলিচ, নিৰ্বাচিত প্ৰতিনিধিৰ নিয়ন্ত্ৰণত থাকিব লাগে । তেওঁলোকৰ নেতাৰ ক্ষেত্ৰত বিনয়ী আচৰণৰ অভাৱ দেখা গৈছে । আইন ব্যৱস্থাৰ (মালভিয়া নগৰ) ৰাজনৈতিক দু:সাহসিকতা, অত্যাধিক ভেম, বিনয়ী আচৰনৰ অভাৱ প্ৰতিষ্ঠিত প্ৰতিস্থাসমূহৰ বাবে এই দ'লে পৰ্য্যাপ্ত পৰিমাণৰ শ্ৰদ্ধা দেখুওৱা নাই । তেওঁলোকে পুলিচক অনুৰুধ কৰিছে যে পুলিচৰ নিজৰ সাজ খুলিহে আন্দোলনত অংশগ্ৰহন কৰে । ২ দশকৰ পূৰ্বে এটা মৌলিকবাদী গোটে স্বতন্ত্ৰত দিৱস প্ৰত্যাহাৰ জনাইছিল । আৰু আজি এই দ'ল, যি ৰাষ্ট্ৰীয় দ'ল হিচাপে থিয় দিছে, তেওঁলোকে স্বতন্ত্ৰতা দিৱস অস্থিৰ কৰি তোলাৰ ভাবুকি দিছে । তেওঁলোকৰ ব্যৱহাৰ সাংবিধানিক ব্যৱস্থাৰ বাবে প্ৰত্যাহৱান হৈ পৰিছে । জম্মু আৰু কাশ্মীৰৰ পৃথকবাদী গোট আৰু চত্তীশগড়ৰ মাওবাদীক সমৰ্থন জনোৱা লোক তেওঁলোকৰ দ'লৰ সদস্য ।

বিগত বছৰত মই যেতিয়া ৰাজ্যসভাত ব্যৱহাৰ হোৱা শব্দ 'অৰাজকতাৰ সংগঠন' শুনিছিলো, তেতিয়াই সন্দেহ হৈছিল, কোনো নীতি নমনা নৈৰাজ্যবাদী কোনো সংগঠন আগবাঢ়িব পাৰিব জানো । ইয়াৰ উত্তৰ এতিয়াহে পাইছো । দিল্লীৰ পথত এতিয়া মাত্ৰ নৈৰাজ্যবাদী সংগঠনহে দেখা পোৱা যায় । অৰাজকতা কেতিয়াও বিকল্প ৰাজনীতি হ'ব নোৱাৰে ।